**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-09-2024 **Time :** 2125 Hrs.

***Assamese Night Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ এশ দিন উপলক্ষে চৰকাৰে **নাগৰিক প্ৰথম পন্থাৰে** প্ৰশাসন ব্যৱস্থা পৰিচালনাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰসংগত কয় যে, চৰকাৰক জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ লগতে প্ৰতিগৰাকী নাগৰিকক প্ৰশাসনীয় ব্যৱস্থাৰ সক্ৰিয় অংশগ্ৰহণকাৰী হিচাপে গঢ় দিয়াৰ লক্ষ্যৰে এই ব্যৱস্থা ৰূপায়ণ কৰা হৈছে। ইয়াৰ অধীনত একীকৃত পেঞ্চন আঁচনিৰ অধীনত ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীলৈ মূল দৰমহাৰ ৫০ শতাংশ পেঞ্চন নিশ্চিত কৰা হৈছে। তদুপৰি অৱসৰপ্ৰাপ্ত প্ৰতিৰক্ষা জোৱান আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যান নিশ্চিত কৰাৰ লক্ষ্যৰে এটা পদবী এটা পেঞ্চন আঁচনি সংশোধন ঘটোৱা হৈছে। কেন্দ্ৰীয় মন্ত্ৰালয় আৰু বিভাগসমূহৰ দ্বাৰা চৰকাৰী চাকৰিত ১৫ হাজাৰৰো অধিক যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে। ইফালে শাস্তিৰ পৰিৱৰ্তে ন্যায়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি ঔপনিবেশিক আইনসমূহৰ ৰূপান্তৰ ঘটাই ৩ খন নতুন ফৌজদাৰী আইন ৰূপায়ণ কৰা হৈছে। সময়োচিত আৰু বিজ্ঞান সন্মত প্ৰমাণ পৰীক্ষণৰ বাবে ২ হেজাৰ ২৫০ কোটি টকা বাজেট ধাৰ্য কৰি ৰাষ্ট্ৰীয় ফৰেনচিক আন্তঃগাঠনি বৰ্ধন আঁচনি ৰূপয়ণ কৰা হৈছে। ইপিনে, নিয়োগৰ ক্ষেত্ৰত পৰীক্ষা অনুষ্ঠিত কৰাৰ সময়ত প্ৰশ্নকাকত ফাদিল হোৱা ঘটনা ৰোধ আৰু স্বচ্ছতা নিশ্চিতকৰণৰ বাবে ৰাজহুৱা পৰীক্ষাত অনিয়ম প্ৰতিৰোধ আইন প্ৰৱৰ্তন কৰা হৈছে। এই সময়ছোৱাত ওড়িশা, ঝাৰখণ্ড, বিহাৰ, পশ্চিমবংগ আৰু অন্ধ্ৰপ্ৰদেশৰ সৰ্বাঙ্গীন উন্নয়নৰ লক্ষ্যৰে পূৰ্বোদয় পৰিকল্পনা ৰূপায়ণ কৰাৰ লগতে জৰুৰীকালিন সময়ছোৱাত সংবিধান উলংঘনৰ ঘটনা স্মৰণ কৰি ২৫ জুনত সংবিধান হত্যা দিৱস পালন কৰা হয় বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০

ৰাজ্যত বৰ্ধিত তাপমাত্ৰা তথা উৎকট গৰমৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন জিলাৰ ব্যক্তিগত তথা চৰকাৰী বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী কাইলৈৰ পৰা কিছু সালসলনি কৰাৰ নিৰ্দেশ দিছে। কামৰূপ মহানগৰ জিলাৰ সকলো ব্যক্তিগত, চৰকাৰী তথা কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিদ্যালয়লৈ পাঠদানৰ সময়সূচীৰ সালসলনিৰ নিৰ্দেশ দিয়া হৈছে। এই নিৰ্দেশনা অনুসৰি বিদ্যালয়ৰ শ্ৰেণীসমূহ পুৱা চাৰে সাত বজাত আৰম্ভ কৰিবলৈ অনুমতি দিয়াৰ লগতে দিনৰ চাৰে ১২ বজাত বিদ্যালয় ছুটী দিবলৈ কোৱা হৈছে। তদুপৰি সকলো শিক্ষানুষ্ঠানকে ৰাতিপুৱাৰ প্ৰাৰ্থনাসভা শ্ৰেণীকোঠাৰ ভিতৰত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিদ্যালয়ৰ প্ৰাংগনত উপযুক্ত খোৱাপানীৰ ব্যৱস্থা কৰাৰ লগতে অন্যান্য সা-সুবিধাসমূহ সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

মাজুলী জিলা বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ৰ তৰফৰ পৰা চৰকাৰী তথা ব্যক্তিগত খণ্ডৰ সকলো বিদ্যালয়ৰ পাঠদানৰ সময়সূচী সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসৰি নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ ১২ বজালৈ, মধ্য আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ চাৰে ১২ বজালৈ কৰিবলৈ কোৱা হৈছে। একেদৰে উচ্চ, উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত পুৱা চাৰে ৭ বজাৰ পৰা ১ বজালৈ পাঠদানৰ সময়সূচী নিৰ্ধাৰণ কৰা হৈছে। এই নিৰ্দেশনা কাইলৈৰ পৰা কাৰ্যকৰী হ'ব আৰু পৰৱৰ্ত্তী আদেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব।

০০০

অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰ সম্পূৰ্ণ দায়বদ্ধ বুলি আজি ৰাজ্যৰ বন আৰু পৰিবেশ মন্ত্ৰী তথা বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে বৰপেটাত প্ৰকাশ কৰে। নৱনিযুক্ত অভিভাৱক মন্ত্ৰী হিচাপে জিলাখনলৈ অহাৰ পাছত পাটোৱাৰীয়ে বৰপেটাত বিজেপিৰ সদস্যভৰ্তি অনুষ্ঠানৰো বুজ লয়। মন্ত্ৰীগৰাকীয়ে কয় যে অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰী কৰিবলৈ গঠন কৰা অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনত উল্লেখ থকা সকলো পৰামৰ্শ তথা প্ৰস্তাৱ চৰকাৰে মানি লৈছে। ইয়াৰ দ্বাৰা ৰাজ্য চৰকাৰ ৬ নম্বৰ দফাটো কাৰ্যকৰী কৰিবলৈ দায়বদ্ধ বুলি স্পষ্ট ৰূপত প্ৰকাশ পোৱাৰ কথা তেওঁ উল্লেখ কৰে।

০০০

বিশিষ্ট শিশু সাহিত্যিক নূপুৰ মোমাইদেউ ছদ্মনামেৰে শিশু সাহিত্য ৰচনা কৰি অহা ত্ৰৈলোক্য ভট্টাচাৰ্যক শিশু আলোচনী চোতালৰ পখিলাৰ তৰফৰ পৰা চলিত বৰ্ষৰ চোতালৰ পখিলা ৰজত বৰুৱা স্মৃতি শিশু সাহিত্য বঁটা প্ৰদান কৰা হৈছে। গুৱাহাটীৰ বিষ্ণু নিৰ্মলা শিশু পুঁথিভৰাল প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত আজি এই বঁটা প্ৰদান কৰা হয়। কমেও ১৫খন শিশু উপযোগী গ্ৰন্থৰে অসমীয়া শিশু সাহিত্যৰ ভৰাঁল চহকী কৰা লেখকগৰাকীয়ে শিশু আলোচনী সঁফুৰাত দীৰ্ঘদিন ধৰি

নূপূৰ মোমাইদেউ নামেৰে শিশু উপযোগী ৰচনা লিখি আহিছে। আজিৰ অনুষ্ঠানতে আকাংক্ষা তামুলীক ডাঃ দিগন্ত কুমাৰ দাস স্মৃতি শিশু সাহিত্য বঁটাৰে সন্মানিত কৰা হয়। এই অনুষ্ঠানত সাহিত্যিক হৰপ্ৰিয়া বাৰুকিয়াল বৰগোঁহাই, বন্দিতা ফুকন, ভাস্কৰ্য শিল্পী বীৰেন সিংহ, আবৃত্তিকাৰ অৰনী বৰাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০

বিশ্বৰ বিৰল প্ৰজাতিৰ বগা পিঠিৰ শগুণৰ বসতিস্থল ধুবুৰী জিলাৰ সীমান্তৱৰ্ত্তী মহামায়া বনাঞ্চলত সঘনাই শগুণৰ মৃত্যু হোৱাৰ প্ৰতি লক্ষ্য ৰাখি অৰণ্য সুৰক্ষা সমিতি অসম নামৰ প্ৰকৃতিপ্ৰেমী সংগঠনে আজি এটা অনুসন্ধানমূলক জৰীপ চলায়। সমিতিৰ সচিব প্ৰধান ড০ হৰিচৰণ দাসে প্ৰকাশ কৰা মতে জলবায়ুৰ পৰিৱৰ্তন, খাদ্য আৰু বাসস্থানৰ অভাৱ, প্ৰাকৃতিক দুৰ্যোগ আদিৰ বাবে বনাঞ্চলখনত শগুণৰ মৃত্যু হৈছে। আনহাতে, জলবায়ু পৰিৱৰ্তনৰ বাবে এই বনাঞ্চললৈ হিমালয়ান শগুণৰ প্ৰব্ৰজন বন্ধ হৈ পৰিছে। সমগ্ৰ বিশ্বতে শগুণৰ সংখ্যা হ্ৰাস পাইছে বুলিও তেওঁ উল্লেখ কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ